জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৩০/২০২০

# বিশিষ্ট সাহিত্যিক, লোকসংস্কৃতিৰ গৱেষক জয়কান্ত গন্ধীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৪ ডিচেম্বৰ ঃ** বিশিষ্ট সাহিত্যিক, লোক সংস্কৃতিৰ গৱেষক জয়কান্ত গন্ধীয়াৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত জয়কান্ত গন্ধীয়াই আমাৰ সাহিত্য আৰু লোকসংস্কৃতিৰ জগতলৈ যি বৰঙনি আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধা সহকাৰে স্মৰণ কৰিব। বিশিষ্ট বিহু বিশেষজ্ঞ হিচাপে প্ৰয়াত গন্ধীয়াই আমাৰ সাংস্কৃতিক জীৱনলৈ অনন্য অৱদান আগবঢ়াই গৈছে। অসমীয়া ভাষা-সংস্কৃতিৰ এগৰাকী একনিষ্ঠ সেৱক হিচাপে তেখেতে কেইবাখনো গ্ৰন্থ ৰচনা কৰি আমাৰ সাহিত্যৰ ভৰাল চহকী কৰি গৈছে। তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিকে ধৰি বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ হকেও তেখেতে যথেষ্ট বৰঙনি আগবঢ়াই গৈছে। অসাধাৰণ সৃজনীশীল এইগৰাকী প্ৰতিভাৱান ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জয়কান্ত গন্ধীয়াৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**১০/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in